অধ্যায় ১৫ ঃ বিশ্ব বাণিজ্য সংস্থা আৰু ভাৰতৰ সৈতে ইয়াৰ সম্পৰ্ক

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ বিশ্ব বাণিজ্য সংস্থা আৰু ইয়াৰ কার্যাৱলী

১৫.৪ বিশ্ব বাণিজ্য সংস্থাৰ অধীনত বলৱৎ হোৱা চুক্তি

১৫.৫ ভাৰতৰ সৈতে বিশ্ব বাণিজ্য সংস্থাৰ সম্পৰ্ক

১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৭ অধিক জানিবলৈ

১৫.৮ অগ্রগতিৰ খতিয়ান

১৫.৯ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিশ্ব বাণিজ্য সংস্থা কি আৰু ইয়াৰ কার্যকলাপ ব্যাখ্যা কৰিব পাৰিব,
- বিশ্ব বাণিজ্য সংস্থাৰ কার্যাৱলী নিয়ন্ত্রণ কৰা প্রধান চুক্তিবিলাক উল্লেখ কৰিব পাৰিব আৰু ভাৰতীয় অর্থনীতিত বিশ্ব বাণিজ্য সংস্থাই কার্যকৰী কৰা চুক্তিবিলাকৰ প্রভাৱ ব্যাখ্যা কৰিব পাৰিব।

১৫.২ পৰিচয়

এই অধ্যায়ত আপোনাক বিশ্ব বাণিজ্য সংস্থা (World Trade Organisation–WTO)ৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব। বিভিন্ন দেশৰ মাজত বাণিজ্যৰ নীতি-নিয়ম চোৱা-চিতা কৰা বিশ্বৰ একমাত্র আন্তঃর্জাতিক সংস্থাটো হৈছে বিশ্ব বাণিজ্য সংস্থা (WTO)। এই সংস্থাৰ প্রধান চালিকাশক্তি হৈছে ইয়াৰ চুক্তিবিলাক, যিবিলাক চুক্তি বিশ্বৰ অধিকাংশ দেশেই আলাপ-আলোচনা কৰাৰ লগতে স্বাক্ষৰো কৰিছে আৰু নিজ নিজ সংসদত এই চুক্তিবিলাকৰ আনুষ্ঠানিকভাৱে অনুমোদন কৰিছে। এইবিলাকৰ উদ্দেশ্য হৈছে সামগ্রী আৰু সেৱাৰ উৎপাদনকাৰী তথা ৰপ্তানীকাৰী আৰু আমদানীকাৰীসকলক তেওঁলোকৰ ব্যৱসায় চলাই যোৱাত সহায় কৰা। ১৯৯৫ চনৰ ১ জানুৱাৰীত 'গেট' (General Agreement on Tariff and Trade–GATT)ৰ অধীনত উৰুগুৱেত হোৱা এলানি আলোচনাৰ পাছত এই চুক্তিসমূহ কার্যকৰী হয়। বর্তমান ইয়াৰ ১৫৩ খন সদস্য ৰাষ্ট্র আছে। বিশ্বৰ অর্থনীতিত ইয়াৰ প্রভাৱ মন কৰিবলগীয়া আৰু সদস্য ৰাষ্ট্রবিলাকতো ইয়াৰ প্রভাৱ যথেষ্ট। এই অধ্যায়টিত সংস্থাটোৰ বিষয়ে এটা প্রাথমিক ধাৰণা

দিবলৈ প্ৰয়াস কৰা হৈছে আৰু ইয়াৰ প্ৰাথমিক কাৰ্যাৱলীৰ পৰিচয় দাঙি ধৰা হৈছে। যিবিলাক চুক্তিৰ আধাৰত বিশ্ব বাণিজ্য সংস্থা গঠন কৰা হ'ল সেইবিলাকো চমুকৈ বৰ্ণনা কৰা হৈছে। শেষৰ অনুচ্ছেদত ভাৰতত এই সংস্থাৰ প্ৰভাৱ আৰু দেশখনে কেনেদৰে এই সংস্থাৰ পৰা সৰ্বাধিক মুনাফা আদায় কৰিব পাৰে সেই সম্পৰ্কে আলোচনা কৰা হ'ব।

১৫.৩ বিশ্ব বাণিজ্য সংস্থা আৰু ইয়াৰ কাৰ্যাৱলী

বিশ্বৰ অৰ্থনৈতিক কল্যাণ সাধনৰ উদ্দেশ্যে সামগ্ৰী আৰু সেৱাৰ আন্তৰ্জাতিক লেনদেনৰ নীতি-নিয়ম ভিত্তিক এটা প্ৰক্ৰিয়া গঢ়ি তোলাৰ কাৰণে আন্তৰ্জাতিক সম্প্ৰদায়ৰ শেহতীয়া প্ৰচেষ্টাত বিশ্ব বাণিজ্য সংস্থা গঠিত হয়। অৱশ্যে গঠন হোৱা সময়ৰে পৰা সদস্য ৰাষ্ট্ৰসমূহে অধিকাংশ ক্ষেত্ৰতে অসন্মতি প্ৰকাশ কৰি অহা বাবে বিশ্ব বাণিজ্য সংস্থা বিতৰ্ক সন্মুখীন হৈ আহিছে। কিন্তু সময় অতিবাহিত হোৱাৰ লগে লগে ভাৰতকে ধৰি পৃথিৱীৰ বিভিন্ন দেশত ইয়াৰ নীতি নিয়মৰ প্ৰৱেশ ঘটিছে আৰু ই প্ৰসাৰতা লাভ কৰিছে।

তলত দিয়া বিলাকক কেন্দ্ৰ কৰি বিশ্ব বাণিজ্য সংস্থাৰ একক বহুমুখী গাঁথনিটো গঢ় লৈছে ঃ

- উৰুগুৱেত হোৱা আলোচনাত সংশোধিত গেট চুক্তিক,
- ইয়াৰ পৰিসৰ অধীনত থকা সকলো চুক্তি আৰু ব্যৱস্থাপনা তথা
- *উৰুগুৱেৰ আলোচনালানিৰ* সম্পূৰ্ণ ফলাফল।



উৰুগুৱেৰ আলোচনালানি ঃ দেশসমূহৰ মাজত হোৱা অষ্টম লানি আলোচনা আছিল। গেট চুক্তিৰ অধীনত সম্পাদিত হোৱা এই আলোচনালানি ১৯৮৬ চনৰ পৰা ১৯৯৪ চনলৈ চলিছিল। ১২৩খন দেশৰ মাজত সম্পাদিত হোৱা চুক্তিৰ ফলস্বৰূপে, এই আলোচনালানিৰ অন্তত বিশ্ব বাণিজ্য সংস্থা গঠিত হয়।

আন্তৰ্জাতিক বাণিজ্যত থকা বিভিন্ন ধৰণৰ জটিলতা হ্ৰাস কৰাৰ লগতে সকলো দেশৰ বাবে বাণিজ্যৰ এখন সুবিধাজনক ক্ষেত্ৰ গঢ়ি তোলাৰ সমান্তৰালকৈ অৰ্থনৈতিক বিকাশ আৰু উন্নয়নত অৰিহণা যোগাবৰ বাবে বিভিন্ন চুক্তি সম্পৰ্কে আলোচনা কৰিবলৈ বিশ্ব বাণিজ্য সংস্থাই এখন মঞ্চ প্ৰদান কৰে। এই চুক্তিবিলাকৰ কাৰ্যকৰী প্ৰয়োগ আৰু পৰ্যবেক্ষণৰ বাবে এটা ন্যায়িক আৰু প্ৰতিষ্ঠানিক গাঁথনিও বিশ্ব বাণিজ্য সংস্থাই প্ৰদান কৰে, ইয়াৰ লগে লগে এই চুক্তিবিলাকৰ ব্যাখ্যা আৰু প্ৰয়োগৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বিবাদ নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰা হয়। বিশ্ব বাণিজ্য সংস্থাৰ বাণিজ্যিক চুক্তিৰ বৰ্তমানৰ তালিকাখনত ১৬টা ভিন্ ভিন্ বহুমুখী চুক্তি (য'ত সংস্থাৰ সকলো সদস্য এটা পক্ষত আছে) আৰু দুটা ভিন্‌ভিন্ ভিন্নমুখী চুক্তি (য'ত সংস্থাৰ মাত্ৰ কেইখনমান সদস্য ৰাষ্ট্ৰই এটা পক্ষত আছে) আছে। বিশ্ব বাণিজ্য সংস্থাৰ প্ৰধান কাৰ্যকলাপবিলাক হৈছে ঃ

- **আলোচনা (Negotiating) ঃ** বাণিজ্যৰ ক্ষেত্ৰত থকা (আমদানি শুল্ক বাণিজ্যৰ অন্যান্য বাধা) বিভিন্ন জটিলতা হ্ৰাস অথবা নোহোৱা কৰা আৰু আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰত নিৰ্ধাৰণ কৰা বিভিন্ন নীতি (যেনে— ৰাজ সাহায্য, সামগ্ৰীৰ মানদণ্ড, অপচয় ৰোধ কৰা, ইত্যাদি) মানি চলিবলৈ আলোচনা কৰা।
- পণ্য সামগ্ৰীৰ বাণিজ্য, বিভিন্ন সেৱাৰ বাণিজ্য সম্পৰ্কিত বৌদ্ধিক সম্পত্তিৰ অধিকাৰ সম্পৰ্কে বিশ্ব বাণিজ্য সংস্থাই নিৰ্ধাৰণ কৰা চুক্তি প্ৰয়োগৰ ওপৰত চকু ৰখা আৰু ইয়াক নিয়ন্ত্ৰণ কৰা

(Administrating and monitoring)।

- মাণ্ডলিক আৰু দ্বি-পাক্ষিক বাণিজ্যিক চুক্তি বিলাকৰ স্বচ্ছতা নিশ্চিত কৰাৰ লগতে সদস্য ৰাষ্ট্ৰসমূহৰ বাণিজ্যিক নীতি পৰ্যবেক্ষণ আৰু পুনৰীক্ষণ কৰা (Monitoring and reviewing)।
- চুক্তিবিলাকৰ ব্যাখ্যা আৰু প্ৰয়োগৰ ক্ষেত্ৰত সদস্য ৰাষ্ট্ৰসমূহৰ মাজত উদ্ভৱ হোৱা বিবাদ নিষ্পত্তি কৰা (Settling disputes)।
- আন্তৰ্জাতিক বণিজ্যৰ বিষয়বিলাকত উন্নয়নশীল দেশৰ চৰকাৰী বিষয়াসকলৰ সক্ষমতা বঢ়াই তোলা (Building Capacity)।
- এতিয়াও সংস্থাৰ সদস্য নোহোৱা প্ৰায় ৩০খন দেশৰ আন্তৰ্জাতিক বাণিজ্যত সহযোগ কৰা (Assisting)।
- বিশ্ব বাণিজ্য সংস্থাৰ অন্য প্ৰধান কাৰ্যবিলাকৰ সপক্ষে অৰ্থনৈতিক গৱেষণা কৰা আৰু বাণিজ্য সম্পৰ্কীয় তথ্য সংগ্ৰহ আৰু ব্যৱস্থা কৰা।
- বিশ্ব বাণিজ্য সংস্থাৰ উদ্দেশ্য আৰু কাৰ্যকলাপ সম্পৰ্কে ব্যাখ্যা কৰি জনসাধাৰণক শিক্ষিত কৰা।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ১ ঃ কোন বছৰত বিশ্ব বাণিজ্য সংস্থা গঠন হয়?

.....

প্ৰশ্ন ২ ঃ বিশ্ব বাণিজ্য সংস্থাৰ সদস্য সংখ্যা কিমান?

.....

প্ৰশ্ন ৩ ঃ বিশ্ব বাণিজ্য সংস্থাৰ দুটা কাম উল্লেখ কৰক।

.....

.....

.....

১৫.৪ বিশ্ব বাণিজ্য সংস্থাৰ অধীনত বলৰৎ হোৱা চুক্তি

বিশ্ব বাণিজ্য সংস্থাই ৩০টা বিভিন্ন ধৰণৰ চুক্তি লিপিবদ্ধ কৰিছে আৰু এইবিলাকে আন্তৰ্জাতিক বিধিবদ্ধতা লাভ কৰিছে।এই সংস্থাৰ সদস্য হ'লে এই সকলো চুক্তিতে স্বাক্ষৰ কৰি সন্মতি প্ৰদান কৰিব লাগে। বিশ্ব বাণিজ্য সংস্থাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ চুক্তিবিলাকৰ ভিতৰত আছে *General Agreement on Trade in Services* (GATS), *Agreement on Agriculture*, the Agreement on *Trade-Related Aspects of Intellectual Property Rights* (TRIPS), Agreement on *Trade Related Aspects of Investment*

Measures (TRIMS), the Agreement on *Technical Barriers to Trade* (TBT), Agreement on *Textile and Clothing,* Agreement on *Anti-Dumping,* Agreement on *Subsidies and Countervailing Measures* and *Pluri-lateral Trade Agreements (PTA),*

উৰুগুৱেত হোৱা আলোচনালানিৰ পৰিণতিত উদ্ভৱ হোৱা General Agreement on Trade in Services চুক্তিখন ১৯৯৫ চনত কার্যকৰী কৰিবলৈ লোৱা হয়। General Agreement on Tariff and Trade চুক্তিয়ে আগবঢ়োৱা পণ্য সামগ্ৰীৰ বাণিজ্য সম্পৰ্কীয় নিয়মৰ সৈতে সংগতি ৰাখি বহুজাতিক বাণিজ্যিক পদ্ধতি প্ৰসাৰ ঘটোৱা উদ্দেশ্যে এই চুক্তিখন কৰা হয়। GATS চুক্তিত বিশ্ব বাণিজ্য সংস্থাৰ সকলো সদস্য ৰাষ্ট্ৰই স্বাক্ষৰ কৰিছে।

GATT-ৰ উৰুগুৱেত হোৱা আলোচনালানিৰ সময়তে কৃষি সম্পৰ্কেও এক চুক্তি কৰা হয় আৰু ১৯৯৫ চনৰ জানুৱাৰী মাহত সংস্থা প্ৰতিষ্ঠা হোৱা সময়ৰে পৰা এই কৃষি চুক্তি (Agreement on Agreculture) কার্যকৰী কৰা হৈছে।বিশ্ব বাণিজ্য সংস্থাৰ এই চুক্তিৰ তিনিটা কেন্দ্ৰীয় ধাৰণা আছে, সেইকেইটা হৈছে— ৰপ্তানি ৰাজসাহায্য, বজাৰ দখল আৰু ঘৰুৱা সহযোগিতা। অৱশ্যে উন্নয়নশীল দেশবিলাকত উপার্জনৰ এটা প্ৰধান উৎস হিচাপে চিহ্নিত কৃষকৰ শুল্কৰ সুৰক্ষা হ্ৰাস কৰা বাবে ই সমালোচিত হৈছে।

TRIPS চুক্তিয়ে আন্তর্জাতিক সম্পত্তিৰ চাৰিটা শাখাক সামৰি লৈছে। এইবিলাক হৈছে ঃ (ক) কপিৰাইট আৰু আনুষঙ্গিক স্বত্ত্ব (খ) ট্ৰেড মার্ক (গ) ভৌগোলিক নির্দেশনা (ঘ) ঔদ্যোগিক আর্হি, (ঙ) মাইক্ৰ' অর্গেনিজম আৰু শস্যৰ ভিন্নতাকে ধৰি বিভিন্ন পেটেণ্ট (চ) সমন্বিত চার্কিট আৰু (ছ) বাণিজ্যিক গোপনীয়তা। এই চুক্তি কার্যকৰী কৰিবৰ বাবে বিভিন্ন দেশে সংশ্লিষ্ট আইনী ব্যৱস্থা আৰু কার্যকৰী পদক্ষেপৰ সমন্বয় সাধন কৰি ভিন্ ভিন্ সময়ৰ বাবে চুক্তিবদ্ধ হয়।

TRIMS চুক্তিয়ে আন্তর্জাতিক বাণিজ্যিক বাধাগ্ৰস্ত কৰা কেতবোৰ নির্দিষ্ট বিনিয়োগ পদক্ষেপৰ সমস্যাবিলাকক সামৰি লয়। এই চুক্তিয়ে ৫ বছৰৰ ভিতৰত বাণিজ্যিক বিনিয়োগৰ ক্ষেত্ৰত থকা সকলো ধৰণৰ বাধা আতঁৰাবলৈ পদক্ষেপ গ্ৰহণ কৰে। দেশীয় বিনিয়োগ কোম্পানী বিলাকৰ সমান্তৰালকৈ বিদেশী বিনিয়োগ কোম্পানী বিলাককো সমানে সুবিধা দিয়াত বিনিয়োগৰ ক্ষেত্ৰবিলাকত থকা বাধাসমূহ আঁতৰোৱা কেঁচা মালৰ মুক্ত আমদানি, বিভিন্ন উপাদান আৰু অন্তঃদেশীয় সামগ্ৰীৰ মুক্ত লেনদেন, ইত্যাদিক এই চুক্তিত সামৰি লোৱা হয়। এই চুক্তিয়ে উন্নত দেশ বিলাকক দুবছৰৰ ভিতৰত বাণিজ্য সম্পৰ্কীয় বিনিয়োগ পদক্ষেপ অৱলুপ্ত কৰিবলৈ, উন্নয়নশীল দেশবিলাকক ৫ বছৰৰ ভিতৰত আৰু কম উন্নত দেশবিলাকক ৭ বছৰৰ ভিতৰত নিজ নিজ দেশৰ সুকীয়া বিনিয়োগ পদক্ষেপ অৱলুপ্ত কৰিবলৈ চুক্তিবদ্ধ কৰে।

Agreement on Technical Barriers to Trade, যাক TBT Agreement বুলি জনা যায়, এই চুক্তিখন GATTৰ উৰুগুৱেৰ আলোচনালানিত, ১৯৯৫ চনৰ জানুৱাৰীত গ্ৰহণ কৰা হয়। এই চুক্তিৰ কাম হৈছে মানদণ্ড আৰু আলোচনাই আন্তর্জাতিক বাণিজ্যত জটিলতাৰ সৃষ্টি নকৰাটো নিশ্চিত কৰা।

GATTত ১৯৯৪ চনত বস্ত্র শিল্পক অন্তর্ভুক্ত কৰিবলৈ Agreement on Textile and Clothing গ্রহণ কৰা হয়। এই চুক্তি চাৰিটা পর্যায়ত কার্যকৰী কৰাৰ ব্যৱস্থা কৰা হয়। আন্তর্জাতিক সীমা পাৰ কৰোৱাৰ প্রক্রিয়া সুচল কৰিবলৈ সকলো সদস্য ৰাষ্ট্রই বস্ত্র বাণিজ্যৰ ক্ষেত্রত গেট (GATT)ৰ নিয়ম অনুসৰি কিছুমান নির্দিষ্ট পদক্ষেপ গ্রহণ কৰিবলগীয়া হয়। এই চুক্তিৰ জৰিয়তে উন্নত বজাৰ গঢ়ি তোলা, সুচল আৰু সমতাপূর্ণ বাণিজ্যিক পৰিস্থিতি সৃষ্টি কৰা আৰু আমদানিৰ ক্ষেত্রত থকা বৈষম্য নোহোৱা কৰাৰ ব্যৱস্থা কৰে।

অপচয় ৰোধ কৰিবলৈ গ্রহণ কৰা Anti Dumping চুক্তিয়ে সংস্থাৰ সদস্য ৰাষ্ট্রই অন্য দেশৰ পৰা কোনো সামগ্রী আমদানি কৰাৰ পাছত সেই সামগ্রীয়ে দেশীয় উদ্যোগৰ ক্ষতি সাধন কৰিলে চুক্তিবদ্ধ প্রতিপক্ষক অপচয় প্রতিৰোধক পদক্ষেপ গ্রহণ কৰিবলৈ আহ্বান জনাব পাৰে। এই চুক্তিত ক্ষয়-ক্ষতি বা অপচয় ৰোধ কৰাৰ পদক্ষেপৰ সৈতে জড়িত বিভিন্ন ধৰণৰ বিবাদ নিষ্পত্তি কৰিবৰ বাবে সবিশেষ নিয়ম, যোগ্যতাৰ মান, পদক্ষেপ, ইত্যাদি উল্লেখ আছে।

Agreement on Subsidies and Countervailing Measures চুক্তিখন কৃষি বহির্ভূত সামগ্রীৰ ক্ষেত্রত প্রযোজ্য। এই চুক্তিয়ে নিষেধযোগ্য (Prohebitive), ব্যৱস্থা গ্রহণৰ অযোগ্য (Non Alternable) আৰু ব্যৱস্থা গ্রহণৰ যোগ্য (Alternable) আদি শাখাত ৰাজসাহায্য শ্রেণীবদ্ধ কৰে। নিষেধযোগ্য ৰাজসাহায্যবিলাক হৈছে ৰপ্তানি ৰাজসাহায্য আৰু আমদানিকৃত সামগ্রীৰ ঠাইত দেশীয় সামগ্রীৰ ব্যৱহাৰ সমর্থন কৰা ৰাজসাহায্যবিলাক। জনমূৰি আয় ১০০০ মার্কিন ডলাৰতকৈ কম উন্নয়নশীল দেশবিলাকক ৰপ্তানি ৰাজসাহায্যৰ বাধা নিষেধৰ পৰা ৰেহাই দিয়া হৈছে। ব্যৱস্থা গ্রহণৰ অযোগ্য ৰাজসাহায্যবিলাক হৈছে সেইবিলাক, যিবিলাকক কোনো বিশেষ প্রতিষ্ঠান, উদ্যোগ বা একাধিক প্রতিষ্ঠান বা উদ্যোগৰ গোটক দিয়া হোৱা নাই। ব্যৱস্থা গ্রহণৰ যোগ্য ৰাজসাহায্য বিলাকৰ ক্ষেত্রক বাণিজ্যিক বন্ধুত্ব থকা একোখন দেশে তেতিয়াহে ব্যৱস্থা গ্রহণ কৰিব পাৰে, যেতিয়া ইয়াৰ স্বার্থ বিঘ্নিত হয়। ই ক্ষতিপূৰণ বিচাৰিব পাৰে অথবা বিবাদ নিষ্পত্তিৰ পদক্ষেপ গ্রহণ কৰিবলৈ ইচ্ছা কৰিব পাৰে।

ভিন্নমুখী চুক্তিত উল্লেখ আছে যে বিশ্ব বাণিজ্যত নতুন নীতি-নিয়ম পছন্দ কৰাৰ সুযোগ বিচৰা হয়। এই চুক্তি বহুমুখী (Multilateral) চুক্তিৰ বিপৰীত,য'ত সংস্থাৰ সকলো সদস্য চুক্তিৰ পক্ষ হিচাপে থাকে। Pluri-lateral Trade Agreementৰ চাৰিটা উপাদান আছে। এইবিলাক হৈছে— Agreement on Trade in Civil Aircraft, ১৯৭৯ চনত জেনেভাত এই চুক্তি কৰা হয় আৰু পৰৱর্তী সময়ত ইয়াক সংশোধন কৰা হয়; Agreement on Government Procurement চুক্তি ১৯৯৪ চনৰ ১৫ এপ্রিলত মাৰাকেলত স্বাক্ষৰ কৰা হয়। International Dairy Agreement চুক্তিও ১৯৯৪ চনৰ এপ্রিলত মাৰাকেলত স্বাক্ষৰ কৰা হয়; আৰু International Bovine Meat Agreementতো১৯৯৪ চনৰ ১৫ এপ্রিলত মাৰাকেলতে এই স্বাক্ষৰ কৰা হয়।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন ৪ ঃবিশ্ব বাণিজ্য সংস্থাৰ নিয়ন্ত্রণাধীন সর্বমুঠ চুক্তিৰ সংখ্যা কিমান ?

.....

প্রশ্ন ৫ ঃ বিশ্ব বাণিজ্য সংস্থাৰ তিনিটা গুৰুত্বপূর্ণ চুক্তি উল্লেখ কৰক।

.....

.....

.....

.....

প্রশ্ন ৬ ঃ Pluri-lateral Trade Agreementৰ অধীনস্থ তিনিটা ব্যক্তিগত চুক্তি কি কি ?

.....

.....

.....

১৫.৫ ভাৰতৰ সৈতে বিশ্ব বাণিজ্য সংস্থাৰ সম্পর্ক

অন্য ১৩৪ খন দেশৰ লগতে ভাৰতো হৈছে বিশ্ব বাণিজ্য সংস্থাৰ অন্যতম প্রতিষ্ঠাপক দেশ। আন্তর্জাতিক বাণিজ্যৰ ক্রমবর্দ্ধমান নীতি-নিয়মৰ ভিত্তিত গঢ় লৈ উঠা এই সংস্থাত অংশগ্রহণ কৰি ভাৰত লাভৱান হৈছে। অন্য একাধিক দেশৰ সৈতে থকা বিভিন্নধৰণৰ বাণিজ্যিক বিবাদ এই সংস্থাৰ জৰিয়তে নিষ্পত্তি কৰা হৈছে। গুৰুত্বপূর্ণ বাণিজ্যিক নীতি-নিয়ম প্রস্তুত কৰাৰ ক্ষেত্রটো ভাৰতে এক শক্তিশালী ভূমিকা গ্রহণ কৰিছে। বিশ্ব বাণিজ্য সংস্থাৰ একাধিক সদস্য ৰাষ্ট্রই ভাৰতৰ সৈতে বর্তমান আন্তর্জাতিক বাণিজ্যত লিপ্ত থকা ফলত আমাৰ দেশৰ উৎপাদন, নিয়োগ, জীৱন নির্বাহৰ মানদণ্ড উন্নীত কৰাৰ লগতে বিশ্বৰ সম্পদৰাজিৰ ব্যৱহাৰ বৃদ্ধি কৰিছে।

ভাৰতৰ বাবে সম্ভাৱনীয়তা (Benefits for India) ঃ বিশ্ব বাণিজ্য সংস্থাৰ সক্রিয় সদস্য হোৱাৰ ফলত ভাৰতে অর্জন কৰা মুনাফাবিলাক এনেধৰণৰ ঃ

- বিশ্ব বাণিজ্য সংস্থাৰ সক্রিয় সদস্যপদ গ্রহণ কৰাৰ ফলত ভাৰতে এক ফলদায়ক পদ্ধতিৰে বিশ্বায়নৰ দিশত গতি কৰিলে। ইয়াৰ ফলত ভাৰতৰ অর্থনৈতিক বিকাশ ত্বৰান্বিত হোৱাৰ লগতে মূলধনৰ প্রয়াস বৃদ্ধি পালে।
- বিশ্ব বাণিজ্য সংস্থাৰ সদস্য পদ গ্রহণ কৰাৰ ফলত পৰম্পৰাগত ৰপ্তানিৰ বজাৰখন শক্তি-শালী হোৱা সম্ভাৱনা আহি পৰাৰ লগতে ভাৰতীয় ৰপ্তানিৰ নতুন ক্ষেত্র আৰু আৱশ্যকীয় আমদানিৰ নতুন নতুন উৎস প্রসাৰিত হ'ল।

- বিশ্ব সম্প্রদায়ে পৰিকল্পিতভাৱে গঢ়ি তোলা এই সু-প্রতিষ্ঠিত সংস্থাটোৱে আন্তর্জাতিক লেনদেনৰ ক্ষেত্রত নীতি-নিয়মৰ এটা শক্তিশালী গাঠনি প্রস্তুত কৰিলে। বিভিন্ন দেশৰ মাজত থকা বিবাদ নিষ্পত্তি কৰিবৰ বাবে এটা সমন্বিত পদ্ধতি প্রতিষ্ঠা কৰাৰ লগতে বিশ্ব বাণিজ্য সংস্থাই ভাৰতকে ধৰি ইয়াৰ সকলো সদস্য ৰাষ্ট্রক অর্থনৈতিকভাৱে লাভৱান কৰিবলৈ আৰু বিশ্বৰ অর্থনৈতিক কল্যাণ সাধন কৰিবলৈ এই সংস্থা বদ্ধপৰিকৰ।

বিশ্ব বাণিজ্য সংস্থাৰ হেঙাৰ (Hurdles at WTO) ঃ বিশ্ব বাণিজ্য সংস্থাৰ অধীনস্থ বহুর্জাতিক বাণিজ্যৰ ক্ষেত্রখনত বিভিন্নধৰণৰ বাধাও নথকা নহয়। এইবিলাক তলত চমুকৈ উল্লেখ কৰা হ'ল—

- আলাপ আলোচনাৰ ক্ষেত্রত উন্নত দেশবিলাকৰ দমনমূলক আচৰণ আৰু উন্নয়নশীল তথা কম উন্নত দেশবিলাকৰ পৰা অধিক মুনাফা আজুৰি নিয়া প্রৱণতা।
- বিশ্ব বাণিজ্য সংস্থাৰ বিভিন্ন চুক্তিৰ নীতি-নিয়মৰ অধীনত আলাপ-আলোচনা কৰা আৰু সেইবিলাক উপলব্ধি কৰাৰ ক্ষেত্রত তুলনামূলকভাৱে ক্ষুদ্র দেশবিলাকৰ সম্পদ আৰু দক্ষতাৰ সীমাবদ্ধতা।
- উন্নত আৰু উন্নয়নশীল দেশসমূহৰ সম্পদৰ পৰিমাণ পৃথক পৃথক হোৱা বাবে বিভিন্ন ধৰণৰ সিদ্ধান্ত কার্যকৰী কৰাৰ ক্ষেত্রত বাধাৰ সৃষ্টি হয়।
- ইতিপূর্বে গ্রহণ কৰা চুক্তিবিলাকৰ ৰূপায়ণৰ ক্ষেত্রত উন্নত দেশখনকহে পক্ষপাতিত্ব কৰাৰ লগতে চুক্তিসমূহত নিষ্ঠা প্রকাশ নকৰা পৰিলক্ষিত হয়।
- উন্নত দেশবিলাকে শুল্কহীনতাৰ বিভিন্ন বাধা সৃষ্টি কৰি থাকে।
- মাণ্ডলিক সমন্বয়ৰক্ষী গোটবিলাকে বিশ্ব বাণিজ্য সংস্থাৰ চুক্তিবিলাকৰ প্রয়োগৰ ক্ষেত্রত বাধাৰ সৃষ্টি কৰে যাৰ পৰিণতি সকলো সদস্য ৰাষ্ট্রই ভুগিব লগীয়া হয়।
- Doha Development Agenda-ৰ দুর্বল প্রয়োগ।
- সকলোধৰণৰ দেশৰ ক্ষেত্রতে কৃষি উপার্জনৰ প্রধান উৎস হোৱা স্বত্বেও ফ্রান্স, জাপান আৰু আনকেইখনমান দেশে কৃষি উৎপাদনৰ সৈতে জড়িত কৃষক আৰু ৰপ্তানিকাৰীসকলৰ সৈতে জড়িত কৃষক আৰু ৰপ্তানিকাৰীসকলক ৰপ্তানিৰ ক্ষেত্রত সহায় কৰিবলৈ নিবিচাৰে।
- MFA (Multi Fiber Agreement)-ৰ বিলুপ্তি আৰু ভাৰতৰ দৰে দেশত ইয়াৰ সম্ভাম্ভ্য প্রভাৱ।
- TRIPS-ৰ অধীনত প্রযুক্তি স্থানান্তৰ কৰাৰ ক্ষেত্রত অতিপাত খৰচ, জৈৱ-বৈচিত্রৰ সুৰক্ষা, পৰম্পৰাগত জ্ঞান আৰু লোককলাৰ সুৰক্ষা, মূলৰ ভৌগলিক অৱস্থান আৰু জৈৱ-বৈচিত্রৰ সুৰক্ষা, যেনে— বাছমতি চাউল, মহীশুৰৰ দোছা বা চেম্পেইন আদিৰ ক্ষেত্রত বিভিন্ন আশংকা উদ্ভৱ হয়। এনেধৰণৰ সুৰক্ষামূলক পদক্ষেপৰ ক্ষেত্রত আমেৰিকা যুক্তৰাষ্ট্র আৰু ইউৰোপীয় দেশবিলাকত উৎপন্ন হোৱা সুৰা আৰু স্পিৰিটৰ ক্ষেত্রতহে গ্রহণ কৰা পৰিলক্ষিত হৈছে।

সমস্যা সমাধানৰ কৌশল (Strategies to Overcome Problems) ঃ ওপৰৰ সমস্যা-বিলাকৰ প্রতি লক্ষ্য ৰাখি বিৰূপ প্রভাৱৰ পৰা মুক্তি পাবলৈ আৰু বিশ্ব বাণিজ্য সংস্থাৰ

সৈতে ৰক্ষা কৰা সম্পৰ্কৰ সৰ্বাধিক মুনাফা অৰ্জন কৰিবলৈ ভাৰতে কিছুমান নিৰাপত্তামূলক পদক্ষেপ গ্ৰহণ কৰিছে। এনেধৰণৰ পদক্ষেপবিলাকৰ ভিতৰত আছে—

- ভাৰতীয় অৰ্থনীতিৰ পূৰ্ব অৱস্থাৰ সৈতে সংগতি ৰাখি সংশোধন কৰা। দেশৰ নিজস্ব অৰ্থনীতিক শক্তিশালী কৰি ৰখাৰ ই সৰ্বোত্তম উপায়।
- সামাজিক খণ্ডৰ সংস্কাৰত যথোচিত অগ্ৰাধিকাৰ দিব লাগে। শেহতীয়া বজাৰ অৰ্থনীতিত উদ্ভৱ হোৱা অনিশ্চয়তা আৰু আশাংকাৰ পৰা এই পদক্ষেপে কোটি কোটি মানুহক ৰক্ষা কৰিব।
- বিশ্বৰ উন্নয়নশীল দেশবিলাকৰ হৈ ভাৰতে আন্তৰ্জাতিক মঞ্চত মাত মাতি যাব লাগিব আৰু এই উন্নয়নশীল দেশসমূহৰ সপক্ষে আন্তৰ্জাতিক অৰ্থনীতিক প্ৰবাহিত কৰিবলৈ চেষ্টা চলাব লাগিব।
- আন্তৰ্জাতিক বজাৰত ভাৰতে নিজৰ অংশৰ পৰিমাণ ১০% অধিক কৰিবলৈ চেষ্টা কৰিব লাগিব আৰু এক প্ৰভাৱশালী ভূমিকা পালন কৰিব লাগিব। ইয়াৰ জৰিয়তে ভাৰতে ইয়াৰ ৰপ্তানিৰ প্ৰতিদ্বন্দ্বিতা বৃদ্ধি কৰিব পাৰিব। আন্তৰ্জাতিক মূলধনৰ আকাংক্ষিত বিনিয়োগ ক্ষেত্ৰ আৰু ইয়াৰ সামগ্ৰিক উৎপাদনশীলতাৰ দক্ষতা বৃদ্ধি কৰিব লাগিব।
- ভাৰতে বিশ্বমানৰ আন্তঃগাঁথনি, যেনে— পথ, বন্দৰ আৰু বিদ্যুৎ সৰবৰাহ আদি গঢ়ি তুলিব লাগিব। বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ, যেনে— ঔষধ পাতিৰ প্ৰস্তুত বস্ত্ৰ উদ্যোগ, উন্নত তথ্য প্ৰযুক্তি, উন্নতমানত প্ৰস্তুত কৰা খাদ্য শীতল ভাণ্ডাৰ আৰু কৃষিৰ ব্যৱস্থাপনা গঢ়ি তুলিব লাগিব, যাতে বিশ্ব বাণিজ্য সংস্থাৰ পৰিসৰত প্ৰসাৰিত হোৱা বিশ্বায়নৰ সুযোগ বিলাক গ্ৰহণ কৰিব পৰা যায়।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ৭ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

(ক) ভাৰত বিশ্ব বাণিজ্য সংস্থাৰ প্ৰতিষ্ঠাপক সদস্য নহয়।
(শুদ্ধ /অশুদ্ধ)

.....

প্ৰশ্ন ৮ ঃ বিশ্ব বাণিজ্য সংস্থাৰ সদস্য হোৱাৰ দুটা সুবিধা উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন ৯ ঃ বিশ্ব বাণিজ্য সংস্থাৰ চুক্তিসমূহ কাৰ্যকৰা কৰাৰ ক্ষেত্ৰত থকা তিনিটা গুৰুত্বপূৰ্ণ অন্তৰায় উল্লেখ কৰক।

.....

.....

.....

.....



১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৯৫ চনৰ ১ জানুৱাৰীত 'গেট' (General Agreement on Tariff and Trade)ৰ অধীনত উৰুগুৱেত হোৱা এলানি আলোচনাৰ পাছত বিশ্ব বাণিজ্য সংস্থা গঠন কৰা হয়। বৰ্তমান ইয়াৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা ১৫৩।
- ই হৈছে বিভিন্ন দেশৰ মাজৰ বাণিজ্য সম্পৰ্কীয় নীতি-নিয়ম চোৱা-চিতা কৰা একমাত্ৰ গোলকীয় আন্তঃৰ্জাতিক সংস্থা। ইয়াৰ মূল চালিকা শক্তি হ'ল চুক্তিবিলাক, যিবিলাক অধিকাংশ দেশেই আলাপ-আলোচনা কৰাৰ লগতে স্বাক্ষৰো কৰিছে নিজ নিজ সংসদত এই চুক্তিবিলাকৰ আনুষ্ঠানিকভাৱে অনুমোদনো কৰিছে। এইবিলাকৰ উদ্দেশ্য হৈছে সামগ্ৰী আৰু সেৱাৰ উৎপাদনকাৰী, ৰপ্তানিকাৰী আৰু আমদানিকাৰী সকলক তেওঁলোকৰ ব্যৱসায় চলাই যোৱাত সহায় কৰা।
- বিশ্বৰ অৰ্থনৈতিক কল্যাণ সাধনৰ উদ্দেশ্যে সামগ্ৰী আৰু সেৱাৰ আন্তৰ্জাতিক নীতি-নিয়ম ভিত্তিক এটা প্ৰক্ৰিয়া গঢ়ি তোলাৰ উদ্দেশ্যে আন্তৰ্জাতিক সম্প্ৰদায়ৰ শেহতীয়া প্ৰচেষ্টাত বিশ্ব বাণিজ্য সংস্থা গঠিত হয়।
- বিশ্ব বাণিজ্য সংস্থাৰ প্ৰধান কাৰ্যাৱলী হৈছে বাণিজ্যৰ ক্ষেত্ৰত থকা জটিলতাবিলাক হ্ৰাস অথবা নোহোৱা কৰা, বিশ্ব বাণিজ্য সংস্থাৰ চুক্তিবদ্ধ নিয়মবিলাক নিয়ন্ত্ৰণ আৰু পৰ্যবেক্ষণ কৰা, সদস্যসকলৰ বাণিজ্যিক নীতি পৰ্যাবেক্ষণ আৰু পুনৰীক্ষণ কৰা, সদস্যসকলক মাজত বিবাদ নিষ্পত্তি কৰা, উন্নয়নশীল দেশৰ চৰকাৰী বিষয়াবৰ্গৰ সক্ষমতা গঢ়ি তোলা, সদস্য নোহোৱা দেশবিলাকৰ সংস্থাৰ অন্তৰ্ভুক্ত হোৱাৰ প্ৰক্ৰিয়াত সহায় কৰা, অৰ্থনৈতিক গৱেষণা কৰা আৰু বিশ্ব বাণিজ্য সংস্থাৰ প্ৰধান কাৰ্যাৱলীৰ সহযোগত বাণিজ্যিক তথ্য সংগ্ৰহ আৰু কাৰ্যকৰী কৰা তথা সংস্থাৰ বিষয়ে জনসাধাৰণক ব্যাখ্যা কৰা আৰু প্ৰশিক্ষিত কৰা।
- বিশ্বৰ বাণিজ্য সংস্থাই ৩০টা বিভিন্ন ধৰণৰ চুক্তিৰ ওপৰত নজৰ ৰাখে আৰু এইবিলাকে ইতিমধ্যে আন্তৰ্জাতিক নায্যতা লাভ কৰিছে। এই সংস্থাৰ সদস্য হ'বলৈ এই সকলো চুক্তিতে স্বাক্ষৰ কৰি সন্মতি প্ৰদান কৰিব লাগে।
- বিশ্ব বাণিজ্য সংস্থাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ চুক্তিবিলাকৰ ভিতৰত আছে *General Agreement on Trade in Services* (GATS), *Agreement on Agriculture*, the Agreement on *Trade-Related Aspects of Intellectual Property Rights* (TRIPS), Agreement on *Trade Related Aspects of Investment Measures* (TRIMS), the Agreement on *Technical Barriers to Trade* (TBT),

Agreement on *Textile and Clothing,* Agreement on *Anti-Dumping,* Agreement on *Subsidies and Countervailing Measures* and *Pluri-lateral Trade Agreements (PTA)*।

- আন্তর্জাতিক বাণিজ্যত ক্রমবর্দ্ধমান নীতি-নিয়মৰ ভিত্তিত গঢ়ি উঠা এই সংস্থাত অংশগ্রহণ কৰি ভাৰত লাভবান হৈছে। অন্য একাধিক দেশৰ সৈতে থকা বিভিন্নধৰণৰ বাণিজ্যিক বিবাদ এই সংস্থাৰ জৰিয়তে নিষ্পত্তি কৰা হৈছে। বিশ্ব বাণিজ্য সংস্থাৰ একাধিক সদস্য ৰাষ্ট্ৰই ভাৰতৰ সৈতে বর্তমান আন্তর্জাতিক বাণিজ্যত লিপ্ত থকাৰ ক্ষণত আমাৰ দেশত উৎপাদন, নিয়োগ, জীৱন নির্বাহৰ মানদণ্ড আদি উন্নীত হোৱাৰ লগতে বিশ্বৰ সম্পদ ৰাজিৰ ব্যৱহাৰ বৃদ্ধি হৈছে।
- বিশ্ব বাণিজ্য সংস্থাৰ বিভিন্ন চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কিছুমান সমস্যাও নথকা নহয় কিয়নো ভাৰতৰ দৰে উন্নয়নশীল দেশৰ বাবে এইবিলাকে অসুবিধাৰো সৃষ্টি কৰে। এইবিলাকৰ ভিতৰত আছে ধনী আৰু দুখীয়া দেশৰ মাজৰ স্বার্থৰ সংখ্যাত, দুখীয়া দেশৰ সম্পদ আৰু দক্ষতাৰ সীমাবদ্ধতাৰ বাধ্যবাধকতা, একাধিক মাণ্ডলিক গোট গঠন, ডোহাৰ উন্নয়নমূলক কর্মসূচীৰ দুর্বল ৰূপায়ণ আৰু কৃষিৰ ৰাজসাহায্যৰ ক্ষেত্ৰত মতানৈক্য।
- বিশ্ব বাণিজ্য সংস্থাৰ বিৰূপ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতে কিছুমান নিৰাপত্তামূলক পদক্ষেপ গ্ৰহণ কৰিছে যাতে সংস্থাৰ সৈতে ৰক্ষা কৰা সম্পর্কত সর্বাধিক মুনাফা অর্জন কৰিব পৰা যায়। ভাৰতে নিজস্ব অর্থনীতিৰ সৈতে সংগতি ৰাখি নিজস্ব সংস্কাৰ কার্যসূচী অব্যাহত ৰাখিব লাগিব, সামাজিক খণ্ডৰ সংস্কাৰত গুৰুত্ব আৰোপ কৰিব লাগিব, এটা শক্তিশালী অর্থনৈতিক আন্তঃগাঁথনি গঢ়ি তুলিব লাগিব আৰু ইয়াৰ ৰপ্তানিৰ ক্ষেত্ৰখনত শক্তিশালী প্ৰতিদ্বন্দ্বী হিচাপে থিয় দিয়াৰ লগতে অর্থনীতিৰ দক্ষতা বৃদ্ধি কৰিব লাগিব।

১৫.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ড° প্ৰণৱ কুমাৰ ধৰ ঃ *ভাৰতীয় অর্থনীতি— ইয়াৰ পৰিবর্দ্ধিত ৰূপ,* কল্যাণী পাব্লিছার্চ, ২০০৮।

২) হুদা, বৰুৱা আৰু গোস্বামী ঃ *ভাৰতীয় অর্থনীতি (উত্তৰ-পূর্বাঞ্চলৰ অর্থনীতিসহ),* বনলতা, ২০০৪।

ইংৰাজী গ্ৰন্থ ঃ

1) Dhar, P.K. (2018). Indian Economy: Its Growing Dimension. New Delhi: Kalyani Publishers.

2) Datt, G and Mahajan, A. (2016). Datt & Sundharam's Indian Economy. New Delhi: S. Chand & Co.

3) Misra, S.K. & Puri, V.K. (2018). Indian Economy. New Delhi: Himalya Publishing House.

১৫.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ ১৯৯৫ চনৰ ১জানুৱাৰী।

২ নং প্রশ্ন উত্তৰ ঃ ১৫৩ খন।

৩ নং প্রশ্ন উত্তৰ ঃ বিশ্ব বাণিজ্য সংস্থাৰ দুটা গুৰুত্বপূর্ণ কাম হৈছে—

- বাণিজ্যৰ ক্ষেত্রত থকা বিভিন্ন জটিলতা (আমদানি শুল্ক, আৰু বাণিজ্যৰ অন্য বাধা) হ্রাস বা নোহোৱা কৰা আৰু আন্তর্জাতিক বাণিজ্য পৰিচালনা কৰাৰ ক্ষেত্রত থকা বিভিন্ন নিয়মৰ প্রতি সন্মতি আদায় কৰা (যেনে— অপচয় ৰোধ কৰা, ৰাজসাহায্য, সামগ্রীৰ মানদণ্ড, ইত্যাদি)।
- সামগ্রীৰ আৰু সেৱাৰ বাণিজ্য, বাণিজ্য সম্পর্কিত বৌদ্ধিক সম্পত্তিৰ অধিকাৰ আদিৰ ক্ষেত্রত থকা সংস্থাৰ চুক্তিবদ্ধ নিয়ম বিলাকৰ ৰূপায়ণৰ ওপৰত নজৰ ৰখা আৰু নিয়ন্ত্রণ কৰা।

৪ নং প্রশ্ন উত্তৰ ঃ ৩০

৫ নং প্রশ্ন উত্তৰ ঃ বিশ্ব বাণিজ্য সংস্থাৰ তিনিটা গুৰুত্বপূর্ম চুক্তিৰ ভিতৰত আছে ঃ

- General Agreement on Trade in Services (GATS)
- Agreement on Agriculture
- Agreement on Trade Related Aspects of International Property Rights (TRIPS)

৬ নং প্রশ্ন উত্তৰ ঃ Pluri lateral Trafe greement ৰ তিনিটা ব্যক্তিগত চুক্তি হৈছে (ক) Agreement on Trade in Central Aircrafts (খ) Agreement on Government Procurement আৰু (গ) International Dairy Agreement and International Bovine Meat Agreement

৭ নং প্রশ্ন উত্তৰ ঃ অশুদ্ধ।

৮ নং প্রশ্ন উত্তৰ ঃ বিশ্ব বাণিজ্য সংস্থাৰ দুটা গুৰুত্বপূর্ণ সুবিধা হৈছে—

- বিশ্ব বাণিজ্য সংস্থাৰ সদস্য হোৱাৰ বাবে ভাৰত এক ফলদায়ক ৰূপত বিশ্বায়ণৰ দিশত আগবাঢ়ি যাব। ভাৰতৰ অর্থনৈতিক বিকাশ দ্রুত কৰাৰ লগতে বাণিজ্যিক মুনাফা অর্জন আৰু মূলধনৰ প্রবাহ বৃদ্ধি কৰাত সহায় কৰিব।
- বিশ্ব বাণিজ্য সংস্থাৰ সদস্যপদে ভাৰতৰ কেৱল পৰম্পৰাগত ৰপ্তানিৰ বজাৰখনকে শক্তিশালী নকৰে, বৰঞ্চ ভাৰতীয় ৰপ্তানিৰ আৰু আমদানিৰ আৱশ্যকীয় উৎসবিলাকো প্রসাৰিত কৰিব।

৯ নং প্রশ্ন উত্তৰ ঃ বিশ্ব বাণিজ্য সংস্থাৰ চুক্তি বিলাক কার্যকৰণৰ ক্ষেত্রত থকা তিনিটা অন্তৰায় হৈছে—

- আলাপ-আলোচনাৰ ক্ষেত্রত উন্নত দেশ বিলাকৰ দমনমূলক প্রৱণতা আৰু উন্নয়নশীল

তথা কম উন্নত দেশবিলাকৰ পৰা অধিক মুনাফা আজুৰি নিয়াৰ প্ৰৱণতা।

- বিশ্ব বাণিজ্য সংস্থাৰ বিভিন্ন চুক্তিৰ নিয়মৰ অধীনত আলোচনা কৰা আৰু সেইবিলাক উপলব্ধি কৰাৰ ক্ষেত্ৰত ক্ষুদ্ৰ দেশবিলাকৰ সম্পদ আৰু দক্ষতাৰ সীমাবদ্ধতা।
- উন্নত আৰু উন্নয়নশীল দেশৰ সম্পদৰ পৰিমাণ পৃথক হোৱাৰ বাবে বিভিন্ন ধৰণৰ সিদ্ধান্ত কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বাধা আহি পৰে।

১৫.৯ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ বিশ্ব বাণিজ্য সংস্থাৰ কাৰ্যাৱলী সম্পৰ্কে আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ বিশ্ব বাণিজ্য সংস্থাৰ অধীনত ৰূপায়ণ কৰা TRIPS আৰু TRIMS চুক্তিৰ পদক্ষেপ বিলাকৰ ওপৰত চমুটোকা লিখক।

৩ নং প্ৰশ্ন ঃ Anti-Dumping কাৰ্য-কলাপ আৰু ৰাজসাহায্য তথা ক্ষতিপূৰণৰ পদক্ষেপবিলাকৰ বিষয়ে চমুকৈ আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

১ নং প্ৰশ্ন ঃ বিশ্ব বাণিজ্য সংস্থাৰ অধীনত ৰূপায়িত বিভিন্ন চুক্তিৰ এটা সামগ্ৰিক বিৱৰণ দাঙি ধৰক।

২ নং প্ৰশ্ন ঃ বিশ্ব বাণিজ্য সংস্থাৰ সদস্য হিচাপে সৰ্বাধিক সুবিধা আদায় কৰিবলৈ ভাৰতৰ পদক্ষেপ কি হোৱা উচিত? বৰ্ণনা কৰক।



প্ৰসঙ্গ পুথি (পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে প্ৰযোজ্য)

অসমীয়া গ্ৰন্থ ঃ

১) ড° প্ৰণৱ কুমাৰ ধৰ ঃ *ভাৰতীয় অৰ্থনীতি— ইয়াৰ পৰিৱৰ্দ্ধিত ৰূপ*, কল্যাণী পাব্লিছাৰ্চ, ২০০৮।

২) হুদা, বৰুৱা আৰু গোস্বামী ঃ *ভাৰতীয় অৰ্থনীতি (উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিসহ)*, বনলতা, ২০০৪।

ইংৰাজী গ্ৰন্থ ঃ

1) Datt, G & Mahajan, A.(2016).' Indian Economy.' New Delhi. S Chand and Company Pvt. Ltd.
2) Global Food Security Index,2016-An annual measure of the state of global food security. Retrieved from www.google.co.in
3) Global Hunger index,2016,Retrieved from http://www.Ifpri.org
4) Pieters, H, A Guariso and A Vandeplas(2013): " Conceptual Framework for the Analysis of Determinants of Food and Nutrition Security", FOODSECURE working paper no.13
5) Puri, V.K & Misra, S.K(2017). 'Indian Economy'. Mumbai. Himalaya Publishing House Pvt.Ltd.
6) Sen, A. K(1983). 'Poverty and Famines: An Essay on Entitlement and Deprivation.' Oxford University Press.
7) Webb, P & R Bhatia(2005): " Measuring and Interpreting Malnutrition and Mortality",Nutrition Service, WFP, Rome.